**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন হয়।

২। দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে অক্ষয় তৃতীয়া উদযাপন কৰা হৈছে।

৩। অক্ষয় তৃতীয়া উপলক্ষে আজি উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ গংগোত্ৰী আৰু য়মুনোত্ৰী মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ লগে লগে পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হয়।

৪। পশ্চিমবংগৰ মধ্য কলকাতাৰ মাছুৱা এলেকাত ফলৰ বজাৰত যোৱানিশা হোৱা অগ্নিকাণ্ডত কমেও ১৫ জন লোকে প্ৰাণ হেৰুৱাইছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন হয়। আজি বিয়লি এখন সংবাদমেলত মন্ত্ৰী সভাৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰোৱা হ'ব। সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰো এখন বৈঠক আজি অনুষ্ঠিত হোৱাৰ কথা।

ooooooooo

———দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে অক্ষয় তৃতীয়া উদযাপন কৰা হৈছে। ব'হাগ মাহৰ শুক্লা তৃতীয়া তিথিত এই উৎসৱ পালন কৰা হয়। লোকবিশ্বাস অনুসৰি এই দিনটোতে সত্য যুগৰ আৰম্ভণি আৰু ভগৱান বিষ্ণুৰ ষষ্ঠ অৱতাৰ পৰশুৰামৰ জন্ম হৈছিল। জনশ্ৰুতি অনুসৰি শুক্লা তৃতীয়া দিনটোতে ভগীৰথে গংগা নদীক সৰগৰ পৰা মৰ্ত্যলৈ বোৱাই লৈ আহিছিল। এই দিনটোত গংগা স্নান কৰিলে পূণ্য অৰ্জন হয় বুলি বিশ্বাস কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অক্ষয় তৃতীয়া উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে এইবুলি আশা প্ৰকাশ কৰিছে যে মানৱতাৰ প্ৰতি উৎসৰ্গিত এই উৎসৱে যেন সকলোৰে জীৱনলৈ সাফল্য, সমৃদ্ধি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনে। এই উৎসৱে বিকশিত ভাৰত গঢ়াৰ বাবে লোৱা সমূহীয়া সংকল্প অধিক সুদৃঢ় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ooooooooo

অক্ষয় তৃতীয়া উপলক্ষে আজি উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ গংগোত্ৰী আৰু য়মুনোত্ৰী মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ লগে লগে পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হয়। বৈদিক মন্ত্ৰোচ্চাৰণ আৰু অন্য ৰীতি-নীতিৰ মাজেৰে দুয়োটা মন্দিৰৰ দ্বাৰ মুকলি কৰা হয়। গংগোত্ৰী আৰু য়মুনোত্ৰী মন্দিৰত প্ৰাৰ্থনা জনোৱাৰ বাবে উত্তৰ কাশীলৈ দেশৰ বিভিন্ন প্ৰান্তৰ ভক্তৰ আগমন ঘটিছে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীয়ে অক্ষয় তৃতীয়া উপলক্ষে আজি দুয়োটা মন্দিৰতে পূজা-অৰ্চনা কৰে।

ৰুদ্ৰ প্ৰয়াগ জিলাত অৱস্থিত কেডাৰনাথ মন্দিৰৰ দ্বাৰ শুকুৰবাৰে আৰু চাম'লী জিলাৰ বদ্ৰীনাথ ধামৰ দ্বাৰ দেওবাৰে খোলা হ'ব।

ooooooooo

বাসৱ জয়ন্তী উপলক্ষে সংসদ ভৱন চৌহদত আজি আয়োজিত এটা অনুষ্ঠানত কেইবাগৰাকীও নেতাই গুৰু বাসৱেশ্বৰৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, কিৰেণ ৰিজিজু প্ৰহ্লাদ যোশী আৰু শোভা কৰণ্ডলাজে আৰু বিজেপিৰ সাংসদ তেজস্বী সূৰ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা

কথা-বতৰাত সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে বাসৱ জয়ন্তীৰ সৈতে সংগতি ৰাখি সংসদ ভৱন চৌহদৰ প্ৰেৰ্ণাস্থলত গুৰু বাসৱেশ্বৰৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। গুৰু বাসৱেশ্বৰ অনুগামীসকলক শুভকামনা জনাই মন্ত্ৰীগৰাকীয়ে গুৰুগৰাকীৰ মূৰ্তি দৰ্শন কৰাৰ উদ্দেশ্যে দেশৰ ভিন ভিন স্থানৰ পৰা বহু লোকৰ আগমন ঘটাত সন্তুষ্টি ব্যক্ত কৰে।

০০০০০০০০০

সেনাবাহিনীয়ে যোৱানিশা জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত পাকিস্তানী সেনা বাহিনীয়ে চলোৱা গুলী বৰ্ষণৰ যোগ্য প্ৰতুত্তৰ দিয়ে। প্ৰতিৰক্ষা সূত্ৰই প্ৰকাশ কৰা মতে পাকিস্তানী সেনাই যোৱানিশা নিয়ন্ত্ৰণৰেখাৰ সমীপৰ নৌচেৰা, সুন্দেৰবনী আৰু অখনুৰ খণ্ডৰ বিপৰীত দিশৰ এলেকাসমূহক লক্ষ্য কৰি অপ্ৰৰোচিতভাৱে গুলী বৰ্ষণ কৰে। পাকিস্তানী সেনাই বাৰামুল্লা আৰু কুপৱাৰা জিলাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ওচৰৰ পৰ্গৱাল খণ্ডক লক্ষ্য কৰিও গুলী বৰ্ষণ কৰে। সীমান্তত নিয়োজিত সেনা বাহিনীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে।

০০০০০০০০০

ভাৰতীয় মধ্যস্থতা সংস্থাৰ সন্মিলন অহা ৩ মে'ত নতুন দিল্লীত অনুষ্ঠিত হ'ব। এটৰ্নী জেনেৰেলৰ কাৰ্যালয়ে আইন আৰু ন্যায় মন্ত্ৰ্যালয়ৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এটৰ্নী জেনেৰেল আৰ ৱেংকটৰমণীয়ে কয়, যে সন্মিলনত ভালেসংখ্যক মধ্যস্থতা সংস্থা একেখন মঞ্চত উপবিষ্ট হ'ব আৰু মধ্যস্থতা প্ৰক্ৰিয়াৰ সৰ্বোৎকৃষ্ট পন্থাৰ বিষয়ে আলোচনা কৰিব। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত আইন আৰু ন্যায় মন্ত্ৰ্যালয়ৰ যুটীয়া সচিব অজয় আৰোৰাই কয়, যে ন্যায়ালয়ত বিচাৰাধীন গোচৰৰ সংখ্যা কম কৰাৰ উদ্দেশ্যে গোচৰসমূহ নিষ্পত্তিৰ বাবে গুচৰীয়াসকলক মধ্যস্থতাৰ প্ৰক্ৰিয়াক আঁকোৱালি ল'বলৈ উৎসাহিত কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য।

০০০০০০০০০

পশ্চিমবংগৰ মধ্য কলকাতাৰ মাছুৱা এলেকাত ফলৰ বজাৰৰ এখন হোটেলত যোৱানিশা হোৱা অগ্নিকাণ্ডত কমেও ১৫ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু কেইবাজনো আহত হৈছে। নিশা প্ৰায় ৮ বাজি ১৫ মিনিটত সূত্ৰপাত হোৱা এই অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। কলকাতাৰ আৰক্ষী আয়ুক্ত মনোজ কুমাৰ বাৰ্মাই কৈছে যে ঘটনাৰ তদন্তৰ বাবে এটা বিশেষ দল গঠন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাযোগে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

শ্ৰী মোদীয়ে এটা বাৰ্তাযোগে অগ্নিকাণ্ডত নিহত লোকসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছে।

০০০০০০০০০

অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমৰ সমীপৰ চিমহাচলম মন্দিৰৰ দৰ্শনাৰ্থীৰ শাৰীৰ ওচৰৰ এখন দেৱাল খহি পৰাৰ ফলত আজি কমেও ৭ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু অন্য ১৫ জন আহত হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে সামাজিক মাধ্যমযোগে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০০

বিজেপিয়ে ডঃ ভীমৰাও আম্বেদকাৰক অপমান কৰা বুলি উঠা অভিযোগ সংক্ৰান্তত সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে সমাজবাদী পাৰ্টীৰ এখন পোষ্টাৰত আধা আধাকৈ বাবাচাহেব আৰু অখিলেশ যাদৱৰ মুখাৱয়ব ব্যৱহাৰ কৰা

হৈছে আৰু এনেকৈ দলটোৱে ড° আম্বেদকাৰক অপমান কৰিছে। শ্ৰী মেঘৱালে কয়, যে সমাজবাদী পাৰ্টীৰ মুৰববী গৰাকীয়ে এনেধৰণৰ পোষ্টাৰ ব্যৱহাৰ কৰি দলিত সম্প্ৰদায়ৰ জনসাধাৰণৰ ভোট লাভ কৰাৰ চেষ্টা চলাইছে। ১৯৫২ চনত সাধাৰণ নিৰ্বাচন আৰু ১৯৫৩ চনত উপ-নিৰ্বাচনত ড° আম্বেদকাৰৰ পৰাজয়ৰ বাবে কংগ্ৰেছ্ জগৰীয়া আছিল বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কংগ্ৰেছৰ সৈতে সমাজবাদী পাৰ্টিৰ মিত্ৰজোঁটলৈ চাই দলিত সম্প্ৰদায়ে কেনেকৈ অখিলেশ যাদৱক সমৰ্থন কৰিব পাৰিব বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে।

পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সংসদৰ বিশেষ অধিৱেশন আহ্বান কৰিব লাগে বুলি বিৰোধী পক্ষই জনোৱা দাবী সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰী মেঘৱালে কয়, যে তেওঁলোকে এই সন্দৰ্ভত এখন পত্ৰ লাভ কৰিছে। সংসদীয় পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে এই সম্পৰ্কে আলোচনা কৰিব বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী আৰু ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ আলোচনা কৰাৰ বাবে সংসদৰ বিশেষ অধিৱেশন আহ্বান জনোৱাৰ বাবে অনুৰোধ জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰিছিল।

ooooooooo

ভাৰতীয় ৰাষ্ট্ৰীয় মহাফেচখানাই আজি নতুন দিল্লীত ‘Ramanujan: Journey of a Great Mathematician’ শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। এই গ্ৰন্থখনত শ্ৰীনিবাস ৰামানুজনৰ জীৱন আৰু ভাৰতীয় গণিত শাস্ত্ৰলৈ প্ৰসিদ্ধ গণিতজ্ঞগৰাকীৰ অৱদানৰ ওপৰত আলোকপাত কৰা হৈছে। অৰ্জুন সিংহাল আৰু ড° দেৱেন্দ্ৰ কুমাৰ শৰ্মাই এই গ্ৰন্থখন ৰচনা কৰিছে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। যোৱা নিশা নতুন দিল্লীত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে।

ooooooooo

সমাপ্ত